**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-03-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। ধেমাজি জিলাৰ সীমামূৰীয়া গাঁওসমূহত আন্তঃৰাজ্যিক সীমা সমস্যা শীঘ্ৰে সমাধান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ আকৰ্ষণীয় প্ৰচাৰ অভিযান।

৩। প্ৰশ্নকাকত ফাদিল আৰু প্ৰ'ট'কল উলংঘাৰ পৰিপ্ৰেক্ষিতত উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ বাকী থকা পৰীক্ষাসমূহ বাতিল।

৪। পাণবজাৰ পানী শোধন প্ৰকল্পৰ মেৰামতিৰ কামত গুৱাহাটী মহানগৰীৰ ১৬টা স্থানত পানী যোগান ব্যাহত।

**আৰু**

৫। নৱেম্বৰত প্ৰথমখন খেলৰ ঘোষণাৰে গুৱাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সংস্থা ষ্টেডিয়ামৰ টেষ্ট মেচ আয়োজনৰ যোগ্যতা লাভ।

000000

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি ধেমাজি জিলাৰ সীমামূৰীয়া গাঁও সমূহত আন্তঃৰাজ্যিক সীমা সমস্যা শীঘ্ৰেই সমাধান কৰা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে জিলাখনত সীমা সমস্যা থকা দহখন গাঁৰৰ ভিতৰত ৭ খনৰ সমস্যা সমাধান হৈছে আৰু ৩ খনৰ সমস্যা সমাধানৰ বাবে শীঘ্ৰেই চুবুৰীয়া ৰাজ্যৰ মুখ্যমন্ত্ৰী পৰ্যায়ত আলোচনা কৰা হ'ব। ডঃ শৰ্মাই কালি ধেমাজি আৰু ঢকুৱাখনা সমষ্টিৰ কেইবাটাও ক্ষেত্ৰৰ উন্নয়নৰ বুজ লয়। তেও পূৰ্বৰ মন্ত্ৰীসভাৰ বৈঠকত কৰা ধেমাজি কেন্দ্ৰিক ঘোষণাসমূহৰ ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে জিলাখনত বান পৰিস্থিতি আৰু আন্তঃৰাজ্যিক সীমা সমস্যা সমাধানৰ বাবেও প্ৰয়োজনীয় নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জিলাখনত কেইবাটাও পথ নিৰ্মাণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে। তদুপৰি ধেমাজিত চিকিৎসা মহাবিদ্যালয় তথা হাস্পতাল, সংহত জিলা আয়ুক্তৰ কাৰ্যালয় ভৱন আৰু সংহত ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ অগ্ৰগতিৰ তেওঁ বুজ লয়। ডঃ শৰ্মাই ঢকুৱাখনা সমষ্টিৰ পথ উন্নয়ন আৰু কৃষি তথা স্বাস্থ্যকে ধৰি বিভিন্ন ক্ষেত্ৰৰ উন্নয়নমূলক আঁচনি ৰূপায়ণৰ অগ্ৰগতিৰ বুজ লয়। সমষ্টিটোৰ মহকুমা চিকিৎসালয়খন ২০০ খন বিছনাযুক্ত জিলা চিকিৎসালয়লৈ উন্নীত কৰাৰ লগতে চিকিৎসালয়খনৰ সংলগ্ন আবাসগৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে। তদুপৰি তেওঁ জলজীৱন মিছনৰ অধীনত পানী যোগান, কৃষি বিভাগৰ দ্বাৰা ধান আৰু সৰিয়হ ক্ৰয়, ফচল বীমা যোজনা, কেইবাখনো আঁচনি আৰু প্ৰকল্পৰ কাম-কাজৰ পৰ্যালোচনা কৰে। এডভাণ্টেজ অসমৰ দ্বিতীয় সংস্কৰণত লখিমপুৰ জিলাত স্বাক্ষৰিত ৭৯ খন বুজাবুজিৰ চুক্তি কাৰ্যকৰী কৰাৰ বাবে যাৱতীয় কাম-কাজসমূহ সম্পন্ন কৰিবলৈ তেওঁ জিলাখনৰ আয়ুক্তক নিৰ্দেশ দিছে। ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত ফাটবিহু সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে বিতংভাৱে আলোচনা কৰে। ডঃ শৰ্মাই

কালি ডিব্রুগড়ৰ মটক জনগোষ্ঠীৰ কেইবাটাও সংগঠনৰ সৈতে বৈঠকত মিলিত হৈ জনগোষ্ঠীটোৰ জনজাতিকৰণ, মটক স্বায়ত্ত শাসিত পৰিষদত মহিলাৰ সংৰক্ষিত আসন বৃদ্ধিকে ধৰি কেইবাটাও বিষয়ত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে কালি ডিব্রুগড়ৰ লেপেটকটাৰ ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ প্ৰকল্প পৰিদৰ্শন কৰে। ডং শৰ্মাই প্ৰকল্পটোৰ কেন্দ্ৰীয় কক্ষ, পণ্যাগাৰ আৰু উৎপাদন স্থলী পৰিদৰ্শন কৰাৰ পাছত প্ৰতিষ্ঠানটোৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হৈ ইয়াৰ শেহতীয়া কামকাজ, উন্নয়ন তথা ভৱিষ্যত পৰিকল্পনা, প্ৰতিষ্ঠানটোৱে সন্মুখীন হোৱা বিভিন্ন সমস্যা সমাধানকে ধৰি কেইবাটাও বিষয়ত আলোচনা কৰে। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এইদৰে উল্লেখ কৰে --- **(বাইট)**

oooooo

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। কালি কামৰূপ জিলাৰ বামুনীগাঁও পৰিষদীয় সমষ্টিত সাংসদ বিজুলী কলিতা মেধীয়ে ভাৰতীয় জনতা পাৰ্টীৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি বিজেপিৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ প্ৰচাৰ চলায়। সাংসদগৰাকীয়ে বকো পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী ছুমিত ৰাভাৰ সৈতেও প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে।

গোৱালপাৰা জিলাতো নিৰ্বাচন হ'বলগীয়া ১৯টা পৰিষদীয় সমষ্টিত প্ৰাৰ্থীসকলে ভোটদাতাক আকৰ্ষিত কৰিবলৈ বিভিন্ন ধৰণেৰে চেষ্টা চলাইছে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই গোৱালপাৰাৰ আগিয়া সমষ্টিত আজি দলৰ প্ৰাৰ্থী সুচিত্ৰা নাথৰ হৈ প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে। বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে কালি জিলাখনৰ কেইবাটাও পৰিষদীয় সমষ্টিত বিজেপি আৰু ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। ৭ নম্বৰ দক্ষিণ দুধনৈত বিজেপি সমৰ্থিত ৰাভা-হাচং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী টংকেশ্বৰ ৰাভাই প্ৰতিদ্বন্দ্বী কংগ্ৰেছ দলৰ সঞ্জীৱ কুমাৰ ৰাভা, ভোটাৰ্ছ পাৰ্টী অব ইণ্ডিয়া দলৰ পুনম হাজোৱাৰীৰ সমানে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। ১৫ নম্বৰ আগিয়া পৰিষদীয় সমষ্টিত বিজেপি প্ৰাৰ্থী সুচিত্ৰা নাথ, কংগ্ৰেছ প্ৰাৰ্থী সোণালী সূত্ৰধৰ আৰু নিৰ্দলীয় প্ৰাৰ্থী সাধনা চাংমাৰ প্ৰচাৰ অভিযানে নিৰ্বাচনী আকৰ্ষণ সৃষ্টি কৰিছে। দ্বাৰকা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী মোদিত ৰাভাই সমষ্টিটোত তীব্ৰ প্ৰচাৰ চলাইছে। আন আন সমষ্টিসমূহতো প্ৰাৰ্থীসকলৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হোৱা পৰিলক্ষিত হৈছে।

এই নিৰ্বাচনত দুয়োখন জিলাৰ মুঠ ৩৩ টা পৰিষদীয় সমষ্টিত ৯৬ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। তিনি গৰাকী প্ৰাৰ্থী ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে।

উল্লেখযোগ্য যে, অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণ হ'ব। অহা ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

oooooo

প্ৰশ্নকাকত ফাদিল আৰু প্ৰ'ট'কল উলংঘাৰ বাতৰিৰ বাবে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ কাইলৈৰ পৰা ২৯ মাৰ্চলৈ হ'বলগীয়া বাকী বিষয়সমূহৰ পৰীক্ষা বাতিল কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কাইলৈ হ'বলগীয়া অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ বৈঠকত পৰৱৰ্তী ব্যৱস্থা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি জানিবলৈ দিছে। ইপিনে, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে নিৰ্ধাৰিত সময়ৰ পূৰ্বে একাদশ শ্ৰেণীৰ গণিতৰ প্ৰশ্নকাকতৰ পেকেটৰ চীল খোলাৰ বাবে ১০ খন জিলাৰ ১৫ খন ব্যক্তিগত বিদ্যালয়ৰ স্বীকৃতি সাময়িকভাৱে বাতিল কৰিছে। ৰাজ্য চৰকাৰে নিয়মভংগৰ বাবে ৩ খন প্ৰাদেশিকীকৃত বিদ্যালয়ৰ বিৰুদ্ধেও ব্যৱস্থা গ্ৰহণ কৰিব। এই সংক্ৰান্তত

এজাহাৰ ৰুজু কৰা হৈছে আৰু বিদ্যালয়কেইখনক ২০২৫-২৬ বৰ্ষৰ বাবে একাদশ শ্ৰেণীত নামভৰ্তিৰ পৰা বাৰণ কৰা হৈছে।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ছিংগাপুৰ চৰকাৰৰ আমন্ত্ৰণমৰ্মে তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰলৈ ৰাওনা হৈছে। মন্ত্ৰীগৰাকীয়ে সামুদ্ৰিক ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা বৃদ্ধি, বন্দৰ উন্নয়ন, জাহাজ মেৰামতি খণ্ডৰ ৰূপান্তৰ তথা জলপথ আৰু সামুদ্ৰিক খণ্ডৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনাত মিলিত হ'ব। এই আলোচনাই ভাৰত আৰু ছিংগাপুৰৰ মাজৰ সামুদ্ৰিক তথা বাণিজ্যিক সম্পৰ্কক নতুন গতি দিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে ছিংগাপুৰৰ প্ৰবাসী অসমীয়া সমাজৰ সৈতেও মত বিনিময় অনুষ্ঠানত মিলিত হ'ব। তদুপৰি সামুদ্ৰিক খণ্ডত নতুন সুযোগ-সম্ভাৱনা মুকলি কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে দেশখনৰ সামুদ্ৰিক খণ্ডৰ ভালেসংখ্যক শীৰ্ষ নেতাক সাক্ষাৎ কৰিব। তেওঁ ছিংগাপুৰৰ কেইবাগৰাকীও জ্যেষ্ঠ মন্ত্ৰীৰ সৈতে মিলিত হ'ব।

০০০০০০

পাণবজাৰ পানী শোধন প্ৰকল্পত বৈদ্যুতিক খুঁটা সলনিৰ বাবে আজি আৰু কাইলৈ গুৱাহাটী মহানগৰীৰ ১৬টা স্থানত পানী যোগান বন্ধ থাকিব। এই সন্দৰ্ভত পৌৰ নিগমে জাৰি কৰা এটা বিবৃতি অনুসৰি মেৰামতিৰ সময়ছোৱাত পাণবজাৰ, ফাঁচীবজাৰ, আঠগাঁও, এ টি ৰোড, ছাত্ৰীবাৰী, পল্টনবজাৰ, ৰিহাবাৰী, কছাৰীবস্তি, বি বৰুৱা পথ, উলুবাৰী, গান্ধীবস্তি, দক্ষিণ শৰণীয়া, লাচিত নগৰ, ভঙাগড়, ৰাজগড় আৰু পূব শৰণীয়াত পানী যোগান বন্ধ থাকিব।

পৌৰ নিগমে ইয়াৰ লগতে জাইকা প্ৰকল্পৰ অধীনত জল ব'ৰ্ডে ইতিমধ্যে সাঙুৰি লোৱা অঞ্চলসমূহত অহা ১ জুলাইৰ পৰা গুৱাহাটী পৌৰ নিগমৰ পানী যোগান বন্ধ কৰা হ'ব বুলি জাননী প্ৰকাশ কৰিছে। জাননীখনত উল্লেখ কৰা অনুযায়ী জল ব'ৰ্ডৰ অধীনত পানী সংযোগৰ বাবে পৌৰ নিগমৰ ৰেচন কাৰ্ড থকা গ্ৰাহকে ৩০ জুনৰ ভিতৰত আবেদন কৰিলে পানী সংযোগৰ সমুদায় ৯ হাজাৰ ৫০০ টকা খৰচ পৌৰ নিগমে বহন কৰিব। জল ব'ৰ্ডৰ অধীনত পানী যোগান প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰাৰ লগতে গ্ৰাহকসকলক উৎসাহিত কৰাৰ বাবে নিগমে এই পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০

পৰিবেশ প্ৰদূষণ ৰোধ কৰি ইয়াৰ সংৰক্ষণৰ বাবে প্ৰতিগৰাকী ব্যক্তি, চৰকাৰ, প্ৰশাসন আৰু দল, সংগঠনে একগোট হৈ প্ৰয়াস চলাব লাগিব। আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত কালি পৰিবেশ কৰ্মী মুবিনা আখতাৰ আৰু মেডিচিন বিভাগৰ বিশিষ্ট চিকিৎসক ডাঃ ৰুণজুন টেৰণপীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে বায়ু, পানী, পোহৰ আৰু শব্দকে ধৰি পৰিবেশৰ প্ৰতিটো উপাদানকে প্ৰদূষণে ক্ষতি কৰে আৰু ইয়াৰ ফলত মানৱ জাতিকে ধৰি সমগ্ৰ জীৱকূলৰ জীৱন ধাৰণৰ শৈলীত নেতিবাচক প্ৰভাৱ পৰে। ইয়াৰ ফলতেই বিভিন্ন শাৰিৰীক, মানসিক বিসংগতিয়ে দেখা দিয়ে। এনেধৰণৰ সমস্যাসমূহ ৰোধ কৰিবলৈ হলে পৰিবেশ সুস্থ কৰি ৰখাৰ বাবে প্ৰতিজনে সচেতন হৈ নিজৰ দায়িত্ব পালন কৰিব লাগিব বুলি তেওঁলোকে প্ৰকাশ কৰে। বিশেষকৈ শিশুসকলৰ মাজত সৰুৰে পৰাই স্বাস্থ্যকৰ আৰু পৰিবেশ তন্ত্ৰৰ বাবে প্ৰয়োজনীয় অভ্যাস গঢ়ি তুলিবলৈ তেওঁলোকে আহ্বান জনায়।

০০০০০০

গুৰাহাটীৰ বৰ্ষাপাৰাৰ অসম ক্ৰিকেট সংস্থা ষ্টেডিয়ামে টেষ্ট মেচ আয়োজনৰ যোগ্যতা লাভ কৰিছে। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ উদ্বোধনী খেলৰ পূৰ্বে কালি অনুষ্ঠিত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ সভাত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ আসন্ন টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল গুৰাহাটীত আয়োজন কৰাৰ সিদ্ধান্ত লোৱা হয়। এই সম্পৰ্কত বিতং তথ্যৰ সৈতে এয়া আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰ—

**ভইচ (ৰাজীৱ লোচন বৰঠাকুৰ)**

ইয়াৰ লগতে ছেপ্তেম্বৰ মাহত এদিনীয়া মহিলা বিশ্বকাপৰো এখন খেল বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

০০০০০০

উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ বাকী থকা পৰীক্ষাসমূহ বাতিল, প্ৰশ্ন কাকত ফাদিলত জড়িত ১৫ খন ব্যক্তিগত শিক্ষানুষ্ঠানৰ স্বীকৃতি, অনুমতি বাতিলৰ নিৰ্দেশ, হিন্দী লেখক বিনোদ কুমাৰ শুক্লালৈ জ্ঞানপীঠ বঁটা, তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰলৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ যাত্ৰা আদিৰ বাতৰিয়ে আজি গুৰাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান পোৱা পৰিলক্ষিত হৈছে। **দৈনিক অসম** কাকতে গণিত আৰু অৰ্থনীতিৰ দৰে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ বাকী থকা অন্য বিষয়সমূহৰ প্ৰশ্নকাকতো ফাদিল হোৱাৰ আশংকাত অসম ৰাজ্যিক শিক্ষা পৰিষদে বাকী থকা আটাইকেইটা বিষয়ৰ পৰীক্ষা বাতিল কৰাৰ বাতৰিক 'ওকণিৰ ভয়ত চুলিকেই খুৰালে শিক্ষা পৰিষদে' শিৰোনামেৰে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। **অসমীয়া প্ৰতিদিন** কাকতে প্ৰখ্যাত হিন্দী কবি-ঔপন্যাসিক বিনোদ কুমাৰ শুক্লালৈ জ্ঞানপীঠ বঁটা আগবঢ়োৱাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক দৈনিক অসম কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। বিধানসভাৰ মজিয়াত বিজেপি বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ আচৰণে অকল বিৰোধীৰ মাজতে নহয়, বৰং শাসকীয় দলটোৰ অভ্যন্তৰতো তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছে বুলি **আমাৰ অসম** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে গুৰাহাটীত হ'বলগীয়া ক্ৰিকেট টেষ্ট মেচৰ বাতৰিক 'প্ৰথম বাৰৰ বাবে গুৰাহাটীত হ'ব টেষ্ট ক্ৰিকেট' শিৰোনামেৰে প্ৰকাশ কৰিছে। লখিমপুৰত উৎকোচ লৈ তিনিগৰাকী আৰক্ষী কৰ্মী গ্ৰেপ্তাৰ হোৱাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দাক্ষিণাত্যৰ আটাইকেইখন ৰাজ্যই জনসংখ্যাৰ ভিত্তিত সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিৰোধিতা কৰাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে 'কেন্দ্ৰৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিৰুদ্ধে থিয় হ'ল দক্ষিণৰ চাৰি ৰাজ্য' শিৰোনামেৰে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে দুবছৰত বি পি চি এলত এহেজাৰ কোটি টকা লোকচান হোৱা বুলি এটা বাতৰি প্ৰকাশ কৰিছে। একেটা বাতৰিক **দি আছাম ট্ৰিবিউন** কাকতে 'CM mulls BCPL diversification' শিৰোনামেৰে প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতে চীনৰ প্ৰস্তাৱিত মেট'ক বান্ধে তীববতলৈ ভাবুকি কঢ়িয়াই আনিছে বুলি এটা বাতৰি প্ৰকাশ কৰিছে। **দা টাইমছ অব্ ইণ্ডিয়া** কাকতে উচ্চতম নায়ালয়ৰ ন্যায়াধীশে মণিপুৰৰ আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰাৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০

গুৰাহাটীৰ শিলপুখুৰীৰ সোণাধৰ সেনাপতি পথ নিবাসী প্ৰভা সেনাপতিৰ আজি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৪ বছৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্রা সৰ্বোচ্চ ২৫ দশমিক ৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৮ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ নাগালেণ্ড, ত্ৰিপুৰা আৰু মেঘালয়ৰ ক্ষেত্ৰ বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত